**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------------

১। অসমৰ বান সমস্যা সমাধান আৰু গুৱাহাটীক বানমুক্ত কৰাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শ আহ্বান।

২। অসম চুক্তি ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০টা জনজাতীয় সংগঠনৰ বৈঠক।

৩। আজি বিশ্ব এইডছ্ দিৱস। দেশৰ আন প্ৰান্তৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানত এইডছ্ দিৱস পালন।

৪। নাগালেণ্ডত আজি ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন আৰু আজি হৰ্ণবিল মহোৎসৱ আৰম্ভ।
**আৰু**

৫। জম্মু-কাশ্মীৰত অনুষ্ঠিত য়নেক্স ছানৰাইজ ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত অসমৰ অনিকেশ দত্তৰ খিতাপ দখল। আনহাতে চৈয়দ মোদী ইণ্ডিয়া আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত পি ভি সিন্ধু আৰু লক্ষ্য সেনৰ ফাইনেলত প্ৰৱেশ।

oooooo

অসমৰ বান সমস্যা আৰু **মিছন ফ্লাড ফ্ৰী গুৱাহাটীৰ** উদ্দেশ্যেৰে কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু গুৱাহাটী উন্নয়ন দপ্তৰৰ মন্ত্ৰী অশোক সিংঘলে গুৱাহাটীত গুৰুত্বপূৰ্ণ বৈঠকত ভাগ লয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আই আই টি গুৱাহাটীত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱত অংশগ্ৰহণ কৰি অনুষ্ঠানত ভাগ লোৱা বিজ্ঞানীসকলৰ পৰা অসমৰ বান নিয়ন্ত্ৰণৰ উপায় উদ্ভাৱনৰ বাবে পৰামৰ্শ বিচাৰে। ইফালে মন্ত্ৰী শ্ৰীসিংঘলে কালি দিছপুৰত মুখ্য সচিব ৰবি কোটা আৰু বিভাগীয় বিষয়াৰে এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। বাৰিষাৰ পূৰ্বে বানমুক্ত গুৱাহাটী অভিযানৰ অধীনত বিভিন্ন বিভাগে হাতত ল'বলগীয়া কাম-কাজ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত ডিব্ৰুগড় চহৰৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবেও প্ৰস্তাৱিত ড্ৰেইনেজ, মাষ্টাৰ প্লান সন্দৰ্ভতো আলোচনা কৰা হয়। বানমুক্ত গুৱাহাটী কৰাৰ বাবে গুৱাহাটীৰ একাংশ নাগৰিকে চৰকাৰলৈ বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল। বৈঠকত এই পৰামৰ্শসমূহো বিতংভাৱে আলোচনা কৰা হয়। মন্ত্ৰী শ্ৰীসিংঘলে গুৱাহাটী পৌৰ নিগম আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ বিষয়াসকলক বাৰিষাৰ পূৰ্বে ক্ষেত্ৰ অধ্যয়ন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।

oooooo

গুৱাহাটীত সদৌ অসম ছাত্ৰ সন্থা, জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিসহ ৩০ টা জনগোষ্ঠীয় সংগঠনৰ বিষয়ববীয়াই কালি অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ সাংবিধানিক ৰক্ষা কবচ প্ৰদান সন্দৰ্ভত আলোচনাত মিলিত হয়। অসম চুক্তিৰ ৬ নম্বৰ দফা অনুসৰি অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ প্ৰতিবেদনৰ প্ৰতিটো পৰামৰ্শ ৰূপায়ণ কৰিবলৈ জনগোষ্ঠীয় সংগঠন কেইটাৰ প্ৰতিনিধিসকলে ৰাজ্য চৰকাৰৰক দাবী জনায়। আলোচনাত সদৌ অসম ছাত্ৰ সন্থাকে ধৰি ৩০টা জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বই অসম চুক্তি

ৰূপায়ণৰ লগতে খিলঞ্জীয়াৰ স্বাৰ্থক সুৰক্ষিত কৰিবলৈ চৰকাৰ পদক্ষেপ ল'বলৈ একেমুখে দাবী উত্থাপন কৰে। এই আলোচনাতে খিলঞ্জীয়া অসমীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰিব পৰাকৈ পদক্ষেপ লোৱাৰ বাবে সময়ে সময়ে আলোচনা কৰি আগবাঢ়ি যাবলৈ আটাইকেইটা সংগঠনৰ বিষয়ববীয়াই সহমত প্ৰকাশ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাৰ প্ৰতিনিধিত্বত অনুষ্ঠিত সভাত সদৌ অসম ছাত্ৰ সন্থাই ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনৰ পৰামৰ্শ কাৰ্যকৰী কৰিবলৈ ৰাজ্য চৰকাৰে আৰম্ভণিৰ পৰা কৰা আলোচনাৰ বিষয়ে সংবাদ মাধ্যমক অৱগত কৰে। ৰাজ্য চৰকাৰে আয়োজন কৰা আলোচনা খিলঞ্জীয়া লোকৰ সুৰক্ষাৰ বাবে এটা ইতিবাচক আৰম্ভণি বুলি সদৌ অসম ছাত্ৰ সন্থাই প্ৰকাশ কৰে। এই আলোচনাত সদৌ অসম ছাত্ৰ সন্থা, নিখিল বড়ো ছাত্ৰ সন্থা, নিখিল ৰাভা ছাত্ৰ সন্থা, সদৌ অসম ট্ৰাইবেল সংঘ, অসম জাতিতাবাদী যুৱ পৰিষদ আদি সংগঠনৰ নেতৃবৰ্গ আৰু প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

০০০০০০

আজি বিশ্ব এইডছ্ দিৱস। ACQUIRED IMMUNO DEFICIENCY SYNDROMEৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে আজিৰ দিনটোত এইডছ্ দিৱস পালন কৰা হয়। এই দিনটোৱে জনসাধাৰণক HIVৰ বিৰুদ্ধে যুঁজ দিবলৈ একগোট হোৱাৰ লগতে এইডছ্ সংক্ৰমিত লোকৰ প্ৰতি সমৰ্থন জনোৱাৰ সুযোগ প্ৰদান কৰে। ৰাষ্ট্ৰীয় এইডছ্ নিয়ন্ত্ৰন সংস্থাই ১৯৯২ চনৰে পৰা প্ৰতি বছৰে আজিৰ দিনটোত বিশ্ব এইডছ্ দিৱস পালন কৰি আহিছে। এইবাৰৰ এইডছ্ দিৱসত সজাগতা বৃদ্ধি, চিকিৎসা পদ্ধতি প্ৰসাৰ আৰু এইডছত আক্ৰান্তসকলৰ বিৰুদ্ধে বৈষম্য দূৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। এইবাৰৰ এইডছ্ দিৱসৰ মূল বিষয়বস্তু হ'ল **শুদ্ধ পথ গ্ৰহণ কৰক**। অসম এইডছ্ নিয়ন্ত্ৰণ ছ'চাইটিৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত প্ৰকল্প সঞ্চালক ডা০ পি এন তালুকদাৰে এইডছৰ ভয়াৱহতা আৰু ইয়াৰ নিয়ন্ত্ৰণ সম্পৰ্কে এইদৰে কয়-

**বাইট (পি এন তালুকদাৰ)**

বিশ্ব এইডছ্ দিৱস উপলক্ষে গোৱালপাৰা জিলা স্বাস্থ্য সমিতিৰ সহযোগত জিলা এইডছ্ নিয়ন্ত্ৰণ কোষে আজি পুৱাৰে পৰা বিস্তৃত কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে আয়োজিত সজাগতামূলক শোভাযাত্ৰা আৰু সভাত স্বাস্থ্য কৰ্মীসকলৰ লগতে আশা কৰ্মীসকলেও অংশগ্ৰহণ কৰে।

০০০০০০

ব্ৰহ্মপুত্ৰ ওপৰত নিৰ্মীয়মাণ অসম আৰু মেঘালয় সংযোগী ধুবুৰী-ফুলবাৰী দলঙখনৰ নিৰ্মাণ কাৰ্য প্ৰায় ৫০ শতাংশ সম্পন্ন হৈছে। দেশৰ ভিতৰত সৰ্ববৃহৎ হিচাপে পৰিগণিত হ'বলগীয়া এই দলঙখনৰ দৈৰ্ঘ্য হ'ব ১৯ দশমিক ২-৮ কিলোমিটাৰ। ২০২৮ চনৰ ভিতৰত দলঙখন সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। উত্তৰ-পূব পথ যোগাযোগ আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত তথা জাইকাৰ বিত্তীয় সাহায্যত নিৰ্মীয়মান এই দলঙখন এছিয়া মহাদেশৰ ভিতৰত তৃতীয় আৰু ভাৰতৰ সৰ্ববৃহৎ দলং হিচাপে পৰিগণিত হ'ব। দলঙখন নিৰ্মাণৰ বাবে ৪ হাজাৰ ৯৯৭ কোটিৰো অধিক টকা ব্যয় ধাৰ্য কৰা হৈছে। নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে ফুলবাৰীলৈ সম্প্ৰতি ব্ৰহ্মপুত্ৰৰে কেইবা ঘণ্টাজোৰা নাও যাত্ৰাৰ পৰিৱৰ্তে ১৫-২০ মিনিটতে সেই স্থানত উপস্থিত হ'ব পৰা যাব। ২০১৯ চনৰ ২৮ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় মন্ত্ৰী সভাই এই দলঙখন নিৰ্মাণৰ কামত অনুমোদন জনায়। ২০২১ চনৰ ১৮ ফেব্ৰুৱাৰী দিনা প্ৰধানমন্ত্ৰীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে নতুন দিল্লীৰ পৰা

দলঙখন নিৰ্মাণৰ শুভাৰম্ভ কৰিছিল। এই দলঙখনে বাংলাদেশ সীমান্তৱৰ্তী দক্ষিণ ধুবুৰী আৰু দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ যোগাযোগ ব্যৱস্থা সুচল কৰি তুলিব বুলি আশা কৰা হৈছে।

০০০০০০

ৰাজ্যৰ প্ৰতিবন্ধীসকলে পুনৰ দিনদয়াল দিব্যাংগ আঁচনিৰ পেঞ্চন লাভ কৰিব বুলি সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগে আশ্বাস প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কেবিনেটে অনুমোদন দিলে দিব্যাংগ সমাজে মাহিলী পেঞ্চন লাভ কৰিব। প্ৰতিজন প্ৰতিবন্ধী ব্যক্তিকে দিব্যাংগ পেঞ্চন প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ সচিব কে জি হিলালী, সঞ্চালক জে বি মান্তাৰ অধ্যক্ষতাত অনুষ্ঠিত এখন বিশেষ সভাই সিদ্ধান্ত লয়। প্ৰতিবন্ধী সুৰক্ষা সংস্থা অসমৰ লগতে তিনিটা সংগঠনে ৩ ডিচেম্বৰত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত কৰিছিল। তিনিওটা সংগঠনৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ সচিব, সঞ্চালকৰ লগতে কেইবাজনো শীৰ্ষ বিষয়াই প্ৰতিবন্ধীসকলৰ বিষয়ববীয়াৰে পৰ্যালোচনাত মিলিত হয়। আলোচনাত প্ৰতিবন্ধীসকলৰ সমস্যাসমূহ আৰু ইয়াৰ সমস্যা সমাধানৰ বিষয়ে প্ৰতিশ্ৰুতি প্ৰদান কৰে। ইয়াৰ পাছতে তিনি ডিচেম্বৰৰ প্ৰতিবাদী কাৰ্যসূচী সাময়িকভাৱে বৰ্জন কৰা বুলি তিনিওটা সংগঠনে প্ৰকাশ কৰে।

০০০০০০

চুবুৰীয়া ৰাজ্য নাগালেণ্ডে আজি ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিছে। ১৯৬৩ চনৰ আজিৰ দিনটোতে নাগালেণ্ড ভাৰতৰ ১৬ নম্বৰ ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰিছিল। নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশনে ৰাজ্যখনৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে নাগালেণ্ডবাসীক শুভেচ্ছা জনায়। এই ঐতিহাসিক দিনটোক স্মৰণ কৰি ৰাজ্যখনত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে নাগালেণ্ডৰ ৰাজধানী কোহিমাৰ অসামৰিক সচিবালয় প্লাজাত অনুষ্ঠিত হ'বলগীয়া বিশেষ কাৰ্যসূচীত মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই ভাষণ দিয়াৰ লগতে ৰাজ্যখনৰ বিগত ছয় দশকৰ যাত্ৰাৰ ওপৰত চিন্তা-চৰ্চা কৰিব। নাগালেণ্ডৰ উন্নয়নৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ শাসন ব্যৱস্থা আৰু শিক্ষাৰ উন্নতিৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। শিক্ষকৰ উপস্থিতি নিৰীক্ষণ ব্যৱস্থাৰ বাবে **স্মাইল এপ** মুকলি ইয়াৰ অন্যতম দিশ হ'ব। ৰাজ্যখনৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিশেষ সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

০০০০০০

নাগালেণ্ডৰ বহু প্ৰতিক্ষিত হৰ্ণবিল মহোৎসৱ আজি আৰম্ভ হ'ব। এইবাৰ এই মহোৎসৱৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰা হ'ব। এইবাৰৰ মহোৎসৱত নাগালেণ্ড চৰকাৰৰ সৈতে বেলছ, জাপান, পেৰু আৰু আমেৰিকাই সহযোগ আগবঢ়াইছে। আনহাতে ছিকিম আৰু তেলেংগানায়ো এই মহোৎসৱত সহযোগিতা আগবঢ়াইছে। ১০ দিনীয়া এই উৎসৱ হৈছে নাগা সম্প্ৰদায়ৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ উৎসৱ।

উল্লেখযোগ্য যে নাগালেণ্ডৰ ৰাজধানী কোহিমাৰ পৰা প্ৰায় ১২ কিলোমিটাৰ দূৰত্বত অৱস্থিত নাগা হেৰিটেজ কিছামাত-**উৎসৱৰ উৎসৱ** হিচাপে অভিহিত হৰ্ণবিল মহোৎসৱৰ আয়োজন কৰা হৈছে। আজি সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত অংশীদাৰী ৰাষ্ট্ৰসমূহৰ ৰাষ্ট্ৰদূতসকলক সম্বৰ্ধনা জনোৱা হ'ব। আজিৰ অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী এ আৰ ৰহমান উপস্থিত থাকিব। উদ্বোধনী অনুষ্ঠানত পৰম্পৰাগত নাগা সংগীত, নৃত্য আদিও পৰিৱেশন কৰা হ'ব।

০০০০০০

অসম বিধানসভাৰ ৰাজহুৱা হিচাপ পৰীক্ষণ সমিতিয়ে কালি তিনিচুকীয়াৰ জিলাৰ বিভিন্ন নিৰ্মীয়মান আঁচনি আৰু প্ৰকল্প পৰিদৰ্শন কৰে। দলটোৱে প্ৰথমে গুঁইজান সমবায় সমিতিৰ গুদামঘৰ আৰু হিচাপ পত্ৰ

পৰীক্ষা কৰে। নুৰুল হুডাৰ নেতৃত্বৰ এই সমিতিখনৰ আন বিধায়ক সদস্যসকল হৈছে- ৰমেন্দ্ৰ নাৰায়ণ কলিতা, দেৱব্ৰত শইকীয়া, উৎপল বৰা, ভৰেন্দ্ৰ নাথ ভৰালী, চক্ৰধৰ গগৈ, আফিজ বছিৰ আহমেদ আৰু কৰিমুদ্দিন বৰভূঞা। পাছত দলটোৱে শদিয়া জিলা আৰু মাৰ্ঘেৰিটা সম-জিলাৰ বিভিন্ন আঁচনি আৰু প্ৰকল্প পৰিদৰ্শন কৰি এইবিলাকৰ অৱস্থাৰ বুজ লয়। তিনিচুকীয়াত থকা সময়ছোৱাত দলটোৱে আয়ুক্তৰ সভাকক্ষত এখন পৰ্যালোচনা সভাতো জিলাখনৰ সকলো উন্নয়নমূলক বিভাগৰ মুৰব্বীসকলৰ সৈতে বিভাগীয় কাম-কাজৰ পৰ্যালোচনা কৰে।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত বিভিন্ন বাতৰিয়ে স্থান পোৱা আমাৰ দৃষ্টিগোচৰ হৈছে। অসমত বিগত দহ বছৰত নিষ্কাসনযোগ্য ভূগৰ্ভস্থ জলসম্পদ প্ৰায় ৮০০ কোটি ঘন মিটাৰ হ্ৰাস পাইছে। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰালয়ে এই উদ্বেগজনক তথ্য প্ৰকাশ কৰিছে। এই বাতৰিটো দৈনিক অসম কাকতে **ভয়ংকৰভাৱে হ্ৰাস ভূগৰ্ভৰ জলস্তৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

একেখন কাকতে কৃত্ৰিম বানৰ কবলৰ পৰা গুৱাহাটী মহানগৰীক উদ্ধাৰ কৰিবলৈ হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী কাৰ্যপন্থা যুগুত কৰিবলৈ মিছন ফ্লাড ফ্ৰী গুৱাহাটী শীৰ্ষক পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰাক লৈ এটা বাতৰি বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

চুবুৰীয়া দেশ বাংলাদেশত উত্তেজনা অব্যাহত আছে। সেই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **বাংলাদেশত আকৌ সন্ন্যাসীক গ্ৰেপ্তাৰ ঃ মন্দিৰ ধংস** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

একেখন কাকতে আই আই টি গুৱাহাটীত অনুষ্ঠিত হোৱা বিজ্ঞান মহোৎসৱ ২০২৪ৰ বাতৰিটো আই আই টি গুৱাহাটীত বিজ্ঞান মহোৎসৱত মুখ্যমন্ত্ৰী শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

একেটা বাতৰিকে দি আছাম ট্ৰিবিউন কাকতে India's remarkable growth rooted in innovation : Jitendra Singh শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে দ্যা ছেণ্টিনেল কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শিক্ষাৰ্থীসকলক ডিজিটেল মঞ্চৰ জৰিয়তে পাঠদান কৰোৱাৰ লক্ষ্যৰে আনুষ্ঠানিকভাহে মুকলি হ'ল ই-কক্ষ। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে **অসমীয়া ভাষাত ম'বাইল ডিজিটেল ডিভাইছত শিক্ষাৰ্থীয়ে লাভ কৰিব পাঠ্যক্ৰম**।

চৰকাৰ গঠনক লৈ মহাৰাষ্ট্ৰত জল্পনা-কল্পনা চলি থকাৰ এটা বাতৰি আমাৰ অসম কাকতে **শপত গ্ৰহণৰ দিন ঘোষণা, সিন্ধেৰ বোমা-ভাবুকি** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে অসমীয়া খবৰ কাকতে প্ৰধানমন্ত্ৰীৰ উপস্থিতিত ৫ ডিচেম্বৰত মহাৰাষ্ট্ৰত নতুন চৰকাৰৰ শপত শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মহাবিদ্যালয়ৰ অধ্যাপক অধ্যক্ষ নিযুক্তিৰ নতুন খচৰাক লৈ  ৰাজ্যজুৰি প্ৰতিক্ৰিয়া অব্যাহত থকাৰ মাজতে শিক্ষা বিভাগৰ নতুন নীতি প্ৰৱৰ্তনকলৈ এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে **বিদ্যালয়টো বাধ্যতামূলক হ'ব প্ৰবেচন** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আসন্ন পঞ্চায়ত নিৰ্বাচন নতুন ৰূপত অনুষ্ঠিত হ'ব। এই বাতৰিটো দৈনিক জনমভূমি কাকতে **সীমা পুনৰ নিৰ্ধাৰণত ৩৯৭লৈ হ্ৰাস জিলা পৰিষদ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেখন কাকতে

আছুসহ ৩০ জনগোষ্ঠীয় সংগঠনৰ বৈঠকৰ বাতৰিটো ৰক্ষা কবচ লাগিবই অসম চৰকাৰৰে আলোচনা ইতিবাচক আৰম্ভণি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

জম্মু-কাশ্মীৰত অনুষ্ঠিত য়নেক্স ছানৰাইজ ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতা ল'ৰাৰ শাখাত অসমৰ অনিকেশ দত্তই খিতাপ দখল কৰিছে। ইফালে প্ৰতিযোগিতাত ১৩ বছৰ অনূৰ্ধৰ অসমৰ বেদাগ্নী গগৈয়ে ছোৱালী একক শাখাৰ ৰাৰ্ণাছআপ খিতাপ দখল কৰে।

০০০০০০

লক্ষ্ণৌত অনুষ্ঠিত চৈয়দ মোদী ইণ্ডিয়া আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ তাৰকা বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু আৰু লক্ষ্য সেনে ফাইনেলত প্ৰৱেশ কৰিছে। ফাইনেল মেচখন আজি বিয়লি অনুষ্ঠিত হ'ব।

প্ৰতিযোগিতাখনৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত সিন্ধুৱে উন্নতি হুদাক ২১-১২ আৰু ২১-৯ৰ পোনপটীয়া ছেটত পৰাস্ত কৰে। ফাইনেলনত খেলুৱৈগৰাকীয়ে চীনৰ য়ু লু ইউৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে লক্ষ্য সেনে পুৰুষৰ ছিংগলছৰ ফাইনেলত ছিংগাপুৰৰ জিয়া হেং জেছন টেহৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সেনে কালি জাপানৰ শ্বোগো ওগাৱাক ২১-৮, ২১-১৪ ফলাফলত পৰাস্ত কৰে।

প্ৰতিযোগিতাখনৰ মিক্সড ডাবলছত ধ্ৰুৱ কাপিলা আৰু টানিছা ক্ৰাষ্টোৰ যুটীটোৱে চীনৰ ঝু ঝি হং আৰু য়াং জিয়া ইৰ যুটীটোক ২১-১৬, ২১-১৫ ফলাফলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। তেওঁলোকে খিতাপ জয়ৰ বাবে থাইলেণ্ডৰ খেলুৱৈৰ বিৰুদ্ধে ফাইনেল মেচত অৱতীৰ্ণ হ'ব।

০০০০০০

বতৰৰ বতৰা– বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা মতে গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ অহা ২৪ ঘণ্টাৰ বতৰৰ আগজাননী অনুসৰি বতৰ ঘাইকৈ ফৰকাল থাকিব। পুৱাৰ ভাগত সামান্য কুঁৱলী পৰাৰ লগতে সন্ধিয়াৰ ফাললৈ সামান্য ডাৱৰীয়া হ'ব। অহা ২৪ ঘণ্টাত গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰ আছিল ৩০ ডিগ্ৰী ছেলছাছ। সৰ্বনিম্ন তাপমাত্ৰ আছিল ১৪ দশমিক ৩ ডিগ্ৰী ছেলছাছ।

উজনি অসমৰ বিভিন্ন অঞ্চলত শীতৰ আগমন ঘটা পৰিলক্ষিত হৈছে। কালি উত্তৰ লখিমপুৰত সৰ্বনিম্ন তাপমাত্ৰ ৭ দশমিক ২ ডিগ্ৰী ছেলছাছ ৰেকৰ্ড কৰা হয়।

০০০০০০

সমাপ্ত